অধ্যায় ৪ : গোপালচৰণ দ্বিজ — গুৰু সেৱা মাহাত্ম্য

(*শ্ৰীভক্তি-ৰত্নাকৰ-কথা*, প্ৰথম মাহাত্ম্য)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ গোপালচৰণ দ্বিজৰ জীৱন আৰু কৃতি

৪.৪ গুৰু সেৱা মাহাত্ম্য

৪.৪.১ মূল পাঠ

৪.৪.২ সাধাৰণ আলোচনা

৪.৪.৩ গদ্যশৈলী

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্ৰগতিৰ খতিয়ান

৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গোপালচৰণ দ্বিজৰ ৰচিত ‘গুৰু সেৱা মাহাত্ম্য’ পাঠৰ মূল বিষয়বস্তু সম্বন্ধে জানিব পাৰিব।
- গুৰুৰ স্থান আৰু গুৰু সেৱাৰ মাহাত্ম্য বুজিব পাৰিব।
- ভক্তিধৰ্মত জ্ঞান-দাতা গুৰুৰ গুৰুত্ব সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- গুৰুৰ লক্ষণ আৰু গুৰু সেৱাৰ ফলাফল উপলব্ধি কৰিব পাৰিব।
- ভক্তি, শৰণাগতি আৰু আধ্যাত্মিক জীৱনত গুৰুৰ ভূমিকা সম্বন্ধে জানিব পাৰিব।
- নৱবৈষ্ণৱ ধৰ্মৰ ভক্তিমূলক আদৰ্শৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৪.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি *শ্ৰীমদ্ভগৱদ্গীতাৰ* বিশ্বৰূপ-দৰ্শন যোগৰ জৰিয়তে শ্ৰীকৃষ্ণৰ ঐশ্বৰ্যময় বিশ্বৰূপ, আত্মা-পৰমাত্মাৰ তত্ত্ব আৰু ভক্তিৰ মাহাত্ম্যৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত অৰ্জুনে শ্ৰীকৃষ্ণৰ বিশ্বৰূপ দৰ্শন কৰি তেওঁৰ অসীম শক্তি, মহিমা আৰু সৃষ্টিজগতৰ ওপৰত থকা নিয়ন্ত্ৰণৰ বিষয়ে উপলব্ধি কৰিছিল। লগতে একনিষ্ঠ ভক্তি, কৰ্তব্যপালন আৰু ঈশ্বৰৰ শৰণাগত হোৱাৰ গুৰুত্ব সম্পৰ্কেও জ্ঞান লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি গোপালচৰণ দ্বিজৰ ৰচিত *'গুৰু সেৱা মাহাত্ম্য'* পাঠৰ জৰিয়তে গুৰুৰ স্থান, গুৰু সেৱাৰ মাহাত্ম্য আৰু আধ্যাত্মিক জীৱনত গুৰুৰ অপৰিসীম গুৰুত্বৰ বিষয়ে জানিবলৈ সক্ষম হ'ম। ইয়াত ভক্তিধর্মত জ্ঞান-দাতা গুৰুৰ ভূমিকা, গুৰুৰ লক্ষণ, গুৰু সেৱাৰ ফলাফল আৰু ভক্তি-শৰণাগতিৰ আদর্শৰ বিষয়ে আলোচনা কৰা হ'ব। লগতে নৱবৈষ্ণৱ ধর্মৰ ভক্তিমূলক চিন্তাধাৰা আৰু আধ্যাত্মিক উন্নতিৰ ক্ষেত্রত গুৰুৰ পথপ্রদর্শক স্বৰূপৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিব পাৰিম।

৪.৩ গোপালচৰণ দ্বিজৰ জীৱন আৰু কৃতি

গোপালচৰণ দ্বিজ শংকৰদেৱ-উত্তৰ যুগৰ এজন উল্লেখযোগ্য কবি আৰু অনুবাদক। তেওঁ শংকৰদেৱৰ পিছৰ অন্যতম প্রসিদ্ধ কবি হিচাপে পৰিচিত। গোপালচৰণে ভাগৱতৰ তৃতীয়, সপ্তম আৰু অষ্টম স্কন্ধ অসমীয়ালৈ অনুবাদ কৰিছিল। ইয়াৰ উপৰিও তেওঁ হৰিবংশৰ কিছু অংশ অনুবাদ কৰে আৰু শংকৰদেৱৰ ভক্তি-ৰত্নাকৰ গ্রন্থখন পদ-ভাষাত ৰূপান্তৰ কৰে। তেওঁৰ ৰচনাসমূহত বৈষ্ণৱ ধর্মৰ দার্শনিক তত্ত্ব, সৃষ্টি-তত্ত্ব, ব্রহ্মাণ্ডৰ সৃষ্টি-বিনাশ, জীৱ-ঈশ্বৰ-সম্পর্ক আদি জটিল বিষয় সহজ ভাষাত ব্যাখ্যা কৰাৰ অসাধাৰণ ক্ষমতা লক্ষ্য কৰা যায়।

গোপালচৰণ দ্বিজে ভাগৱতৰ তৃতীয় স্কন্ধৰ ভণিতাত উল্লেখ কৰিছে যে তেওঁ দামোদৰদেৱৰ কেঁচাইখাত বৈকুণ্ঠপুৰ সত্রত থাকি বৈষ্ণৱসকলৰ নির্দেশক্রমে এই স্কন্ধ অনুবাদ কৰিছিল। দামোদৰদেৱৰ অন্যতম প্রধান শিষ্য বলদেৱ বৈকুণ্ঠপুৰ সত্রৰ অধিকাৰী আছিল। এই প্রসংগত কবিয়ে লিখিছে—

"গোপাল গুৰুৰ পাৱে প্রণমিয়া।
বলদেৱ বাক্য শিৰে ধৰিয়া যতনে।।
ইষ্ট দেৱতাক ধুই ধৰিয়া চৰণে।
পদভাষা ভণে দ্বিজ গোপালচৰণে।।"

এই পদৰ পৰা বুজা যায় যে গোপালচৰণে বলদেৱৰ আদেশ অনুসৰি ভাগৱতৰ পদ-ৰচনা কৰিছিল আৰু তেওঁ নিজেও দামোদৰদেৱৰ শিষ্য-পৰম্পৰাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আছিল। যদিও তেওঁ দামোদৰদেৱৰ প্রত্যক্ষ শিষ্য আছিল নে নহয়, সেই বিষয়ে নিশ্চিত তথ্য পোৱা নাযায়; তথাপি তেওঁ দামোদৰীয়া বৈষ্ণৱ পৰম্পৰাৰ এজন প্রধান কবি আছিল বুলি ধৰা হয়।

গোপালচৰণ দ্বিজৰ সাহিত্যিক প্রতিভাৰ বিশেষ প্রকাশ ভাগৱতৰ তৃতীয় স্কন্ধত দেখা যায়। এই স্কন্ধত সাংখ্যদর্শন, সৃষ্টি-তত্ত্ব, মৈত্রেয়-বিদুৰ সংলাপ, ব্রহ্মাৰ সৃষ্টি, বিশ্বসৃষ্টি আৰু বিশ্ববিনাশ আদি দার্শনিক বিষয়ৰ বর্ণনা আছে। জটিল তত্ত্বমূলক বিষয়সমূহক তেওঁ সহজ আৰু বোধগম্য ভাষাত প্রকাশ কৰি সাধাৰণ পাঠকৰ বাবে গ্রহণযোগ্য কৰি তুলিছিল। দার্শনিক আলোচনা আৰু গম্ভীৰ ভাবধাৰাক সৰল ভাষাত প্রকাশ কৰাৰ দক্ষতা তেওঁৰ সাহিত্যিক কৃতিত্বৰ অন্যতম প্রধান বৈশিষ্ট্য।

অষ্টম স্কন্ধৰ অনুবাদত তেওঁ গ্রাহ-গজেন্দ্র উপাখ্যান বিশেষভাৱে সজীৱ আৰু চিত্রধর্মী ৰূপত বর্ণনা কৰিছে। সপ্তম স্কন্ধত প্রহ্লাদ-চৰিত আখ্যানকো অসমীয়া ৰূপ দিছে। তেওঁৰ হৰিবংশ অনুবাদত পাৰিজাত-হৰণ আৰু নৰকাসুৰ-বধ আখ্যানত শংকৰদেৱৰ পাৰিজাত-হৰণ নাটৰ প্রভাৱ স্পষ্টভাৱে লক্ষ্য কৰা যায়।

গোপালচৰণ দ্বিজৰ ভাষা সহজ, সৰল আৰু প্ৰাঞ্জল। তেওঁ গদ্যধৰ্মী বৰ্ণনাৰ মাজতো কাব্যিক সৌন্দৰ্য সৃষ্টি কৰিব পাৰিছিল। ঠাইে ঠাইে শব্দৰ ধ্বনি, ৰূপ আৰু ভাৱৰ মনোৰম ব্যৱহাৰ তেওঁৰ কবিত্বশক্তিৰ পৰিচয় বহন কৰে। কঠিন বিষয়বস্তু সহজ ভাষাত প্ৰকাশ কৰাৰ লগতে ভক্তিৰস, আখ্যানধৰ্মিতা আৰু দাৰ্শনিক চিন্তাৰ সুন্দৰ সমন্বয় তেওঁৰ সাহিত্যৰ বিশেষ বৈশিষ্ট্য।

তেওঁৰ ওপৰত শংকৰদেৱৰ প্ৰভাৱ যথেষ্ট গভীৰ আছিল। বিশেষকৈ ভক্তি-ৰত্নাকৰৰ বিভিন্ন শাস্ত্ৰীয় শ্লোকৰ অসমীয়া পদ-ভাষা ৰূপান্তৰৰ ক্ষেত্ৰত শংকৰদেৱীয় ভাবধাৰাৰ স্পষ্ট প্ৰতিফলন দেখা যায়। তথাপি গোপালচৰণে নিজস্ব সাহিত্যিক দক্ষতা আৰু চিন্তাশক্তিৰে অনুবাদসমূহক স্বকীয় ৰূপ প্ৰদান কৰিছে।

গোপালচৰণ দ্বিজ দামোদৰীয়া বৈষ্ণৱ সাহিত্যধাৰাৰ এজন বিশিষ্ট কবি, অনুবাদক আৰু দাৰ্শনিক মননৰ সাহিত্যিক। ভাগৱত, হৰিবংশ আৰু ভক্তি-ৰত্নাকৰৰ অনুবাদৰ জৰিয়তে তেওঁ অসমীয়া বৈষ্ণৱ সাহিত্যক সমৃদ্ধ কৰিছিল আৰু জটিল ধৰ্মীয়-দাৰ্শনিক বিষয়বস্তু সহজ অসমীয়াত উপস্থাপন কৰি সাহিত্য-ইতিহাসত এক বিশেষ স্থান অধিকাৰ কৰিছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : গোপালচৰণ দ্বিজে ভাগৱতৰ কোন কোন স্কন্ধ অসমীয়ালৈ অনুবাদ কৰিছিল ?

.....

প্ৰশ্ন নং ২ : গোপালচৰণ দ্বিজে তৃতীয় স্কন্ধ কোনৰ নিৰ্দেশত অনুবাদ কৰিছিল ?

.....

প্ৰশ্ন নং ৩ : গোপালচৰণ দ্বিজৰ সাহিত্যিক কৃতিত্বৰ অন্যতম প্ৰধান বৈশিষ্ট্য কি ?

.....

প্ৰশ্ন নং ৪ : গোপালচৰণ দ্বিজৰ অষ্টম স্কন্ধত কোনটো উপাখ্যান বিশেষভাৱে সজীৱ ৰূপত বৰ্ণিত হৈছে ?

.....

৪.৪ গুৰু সেৱা মাহাত্ম্য

৪.৪.১ মূল পাঠ

গুৰু সেৱা মাহাত্ম্য

(শ্ৰীভক্তি-ৰত্নাকৰ কথা, প্ৰথম মাহাত্ম্য)

শ্ৰীকৃষ্ণায় নমোনমঃ।।

শ্লোক।। গোপাল-জন-বল্লভং প্রিয়কৰং গোপাঙ্গনানাং মুদা।
পডাং যোইভিমমর্দ্দ কদ্র-তনয়ং ভীমং ভুজঙ্গাধিপং ।।
তং ৱন্দে কৰুণাকৰং সুৰৱৰৈঃ সেৱিতাংঘ্রিং সদা।
বৃন্দাৱণ্য-বিনোদ-কেলি-ৰসিকং কৃষ্ণং জগন্মঙ্গলং ।।
প্রণম্য পৰমাত্মনং তদ্ভক্তানপি নিত্যশঃ।
স্বত্বা গুৰু-পদাম্ভোজং কথয়ামি শুভাং কথাম্।।
ৰত্নাকৰাখ্যমতিগূঢ়মশেষ-লোক-সংসাৰ-তাপ-বিমানমহত্তমেন।
শ্রীশঙ্কৰেণ ৰচিতং ৰচয়ামি গাথামালোক্য সাধুৱচসাতিপ্রযত্নম্ ।।

কথা।। জয় জয় পৰম পুৰুষ, পুৰুষোত্তম, নন্দ-নন্দন, বৃন্দাবন-চন্দ্র নিজ-জন-বল্লভ, গোপীসৱৰ প্রিয়কৰ, কালিয় সর্প-দর্প-দলন, ব্রহ্মা-মহেশো জাৰ চৰণ-কিঙ্কৰ, হেন বৃন্দাবন-বিনোদী জগন্মঙ্গল গোপৰূপী কৃষ্ণক কোটি বাৰ প্রণাম কৰো। পৰমাত্মাস্বৰূপ কৃষ্ণক প্রণাম কৰো। তদনন্তৰে বৈষ্ণৱসৱকো কোটি কোটি বাৰ প্রণাম। আবে গোপাল গুৰুৰ পদ-পদ্মক হৃদয়ে স্মৰি পৰম-মঙ্গল কৃষ্ণ-কথা কহোঁ। আবে সভাসদ লোক দেখ : ওহি কামৰূপে ইমত ভক্তি নাছিল। আবে কৃষ্ণৰ একান্ত বাধ্য মহন্তসৱৰ অগ্রগণী শ্রীমন্ত শঙ্কৰ উদিত ভৈলা জাতো, এতেকেসে লোকত ইমত ভক্তি প্রচাৰিল। তেন্তেসে সমস্ত লোকৰ বান্ধৱ, জাৰ পুণ্য-যশে জগত ঢাকিল, সিটো মহাপুৰুষৰ মই কি মহিমা কহিবো অল্পমতি ব্রাহ্মণ ছৱাল হুয়া? তেহে সমস্ত লোকক দায়া কৰি ভক্তি-ৰত্নাকৰ নাম পৰম গূঢ় গ্রন্থ কৰিলা। সেই ৰত্নাকৰৰ প্রযত্ন কৰিয়া কথা-বন্ধ নিবন্ধিবো। সাধুসৱৰ চৰণ শিৰোগত কৰি আক জানি সভাসদ লোক মোক নিনিন্দিবা। ইসৱ কথা এহিমানে ৰহোক। আবে ৰত্নাকৰ গ্রন্থৰ কথা শুনা। পৰমকৃপালু শ্রীমন্ত শঙ্কৰে সকলো লোকৰ হিত চিত্তি শ্লোকচয় আনি ভাগৱত গ্রন্থৰ অভিপ্রায় কহিবাক লাগি ৰত্নাকৰ শাস্ত আৰম্ভিলা, ঠাই ঠাই তাতে কুতর্কীসৱৰ অসম্ভাবনা গুচাইবে লাগি আন পুৰাণসবৰো বচন দেখাইলা।

প্রথমে গ্রন্থৰ প্রতিপাদ্য ভগবন্তক প্রণাম কৰন্ত : জাৰ ৰাম-কৃষ্ণাদি নাম-নাবে মহাপাতকীসবো অনায়াসে সংসাৰ-সাগৰ তৰি পৰম্পদক পারে, হেন সনাতন সদানন্দ কৃষ্ণক হৃদি মাজে উপাসা কৰো। জাৰ একলেশ কৃপা লভিল মাত্রকে মনুষ্যসবে অভিমত পদ লভে, হেন অজ ঈশ্বৰৰ দুইখানি চৰণ-পদ্মক নতি কৰো। ভাগবত শাস্ত্র ভৈল দুগ্ধ-সাগৰ। অচ্যুতৰ কিঙ্কৰ শঙ্কৰে তাক মথিয়া উদ্ধাৰিলা জি নবনীত-পিণ্ড, হে ধীৰসৱ, তাক তোৰাসবে নির্ম্মল বুদ্ধিয়ে সেৱা করা। আবে সমস্ত শাস্ত্রৰ উদ্ধৰি ভক্তিৰত্নাকৰ নাম সাৰ-সংগ্রহ শ্রীশঙ্কৰে কৰন্ত। গ্রন্থৰ প্রথমে সমস্ত লোকৰ কুশলার্থে ভক্তি-জ্ঞান-দাতা গুৰু সেৱা-মাহাত্ম্য পঞ্চশ্লোকে কহন্ত।

দশম স্কন্ধত আশী অধ্যায়ত দৰিদ্র দামোদৰক প্রতি ভগৱন্তে বোলন্ত : 'ভক্তি-জ্ঞান-দাতা গুৰুসে অত্যন্ত পূজা।' এই আশয়ে তিনিজন গুৰুক দেখান্ত : 'হে সখি, এই সংসারত জাত হন্তে জন্ম লভে, তাঙ্ক পিতৃ বোলে : তেহে প্রথম গুৰু পূজ্য হন্ত। আবে কর্ম্ম-বিদ্যা প্রদ গুৰু কহো : শুদ্ধ পুৰুষৰ উপনয়নক আদি বেদ গ্রহণ পর্যন্তে সদকর্ম্মসৱ জাত হন্তে হোৱে, সেইজনকে দ্বিতীয় গুৰু বোলে। মই ঈশ্বৰ যেন, সিজনো তেনয়। পিতৃতো কৰি পূজ্য জানিবা । আৰো ভক্তি জ্ঞান-দাতা গুৰুক শুনা : সকলো আশ্রমীৰ জ্ঞান-দাতা জি গুৰু, সিজন পুনু সাক্ষাতে মই, উপমা দিবাৰ ঠাই নাই।' এতেকে জ্ঞান-দাতা গুৰুক আশ্রয় কৰি জিসৱে সংসাৰ তৰে তাৰাসে বুদ্ধিমন্ত : আকে দেখান্ত : 'হে ব্রাহ্মণ, এই মনুষ্য জন্মত, তাতে

বর্ণাশ্রমে যুক্ত হয়ে জি নৰসৰে গুৰু-ৰূপে জি উপদেশ দেও : তাকে মাত্র ধৰি অনায়াসে সংসাৰ সাগৰ তৰে। তাৰাসে অর্থ-কোবিদ।'

জ্ঞান-দাতা গুৰুত পৰে অধিক সেবা নাই, আক' উক্ত কৰিলা : এই হেতুতেসে গুৰু ভজনত অধিক ধর্ম্ম নাই, আকে কহন্ত : 'জানা বান্ধৱ, গৃহস্থ ধর্ম্মে, ব্রহ্মচাৰী ধর্ম্মে, বানপ্রস্থ- ধর্ম্মেৰ্ম্ম, সন্ন্যাস ধর্ম্মেয়ো মই পৰমেশ্বৰ তেমনে তুষ্ট নোহো সকলে ভূতৰ আত্মা হৈতেও গুৰু সেৱায়ে জেমনে তুষ্ট হও।

এইমতে গুৰু সেৱাৰ ফল দেখাই : আৰে গুৰু সেৱাৰ লক্ষণ কহত। একাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত প্রবুদ্ধ সিদ্ধে বোলন্ত : 'হে মহাৰাজ নির্মি, জাৰাসৰে উত্তম শ্রেয়স জানিবে চাৰে, তাৰাসৰে প্রথমে গুৰুত শৰণ লৈবেক। গুৰুৰ লক্ষণ শুনা : বেদৰ তত্ত্বক জানিব। বেদৰ তত্ত্ব নজানিলে সংশয় গুচাইবে নপাৰে। কৃষ্ণৰো একান্ত দাস হুইব; ভক্ত নভৈলে শিষ্যত বোধ জন্মাইতে সমর্থ হুই। যদি বোলা ভকত হেন কেমনে জানিম, তেবে তাৰ চিহ্ন শুনাঃ ৰাগ-লোভাদি নহৈলে ভকত যেন জানিবা, এহিমানে প্রবুদ্ধ-বচন উপসংহৰি থও।'

আৰোবাৰ গুৰু সেৱাৰ মহিমা দেখাবাক লাগি পঞ্চম স্কন্ধৰ একাদশ অধ্যায়ত বহুগণক প্রতি ভৰতে জি বুলিচন্ত আকে দেখান্ত : গুৰু-সেৱাতেসে সংসাৰ নিস্তৰি, এই আশয়ে ভৰতে বোলন্ত : 'হে বহুগুণ : এই মন বৰ বলৱন্ত, পৰম শত্রুঃ ই অসাৱধানত বাঢ়িছে; বিচাৰত মিছা : তথাপি জীৱক সর্ব্বনাশ কৰে। এই জানি তুমি সাৱধান হুয়া গুৰুৰূপ হৰিৰ চৰণে সেৱাৰূপ তীক্ষ্ণ খাণ্ডা ধৰি মন-শত্রু কাটি ভৱ-নদীক তৰা।'

এইসৱক আদি আনো বচন অনুসাৰে কৃষ্ণত একশৰণ হুয়া গুৰু সেৱা কৰাঃ গুৰু-সেৱাতেসে সংসাৰ নিস্তৰি : গুৰু-সেৱা ছাৰি : যাগ যোগেদিয়ে সংসাৰ তৰাণ নজাই : এই অর্থ নির্ণীত হৈল ভক্তিৰত্নাকৰত।।

শ্রীভক্তিৰত্নাকৰ কথায়াং গোপালচৰণ-কৃতায়াং প্রথম-মাহাত্ম্যং।

আহে সামাজিক লোক, কৰযোৰ কৰি বোলো : সকল লোকৰ কুশল কৰঃ এমন আমাৰ কাকূতি-বাণী শুনা। ইটো ঘোৰ কলিযুগত পাপ-সাগৰত গুৰু-সেৱা বিনে আন প্রকাৰে ভৱ-জলধি তৰাণ নজাই, হৰি দেৱো তুষ্ট নোহও। আক জানি সর্ব্বজনে জিমান পাৰা গুৰু সেৱা কৰা। গুৰুৰ উত্তম সেৱা শ্রৱণ-কীর্ত্তন। ই সৱ অর্থ জানি প্রথমে উচ্চ কৰি হৰি বোল হৰি।।

৪.৪.২ সাধাৰণ আলোচনা

"গুৰু সেৱা মাহাত্ম্য" 'ভক্তি-ৰত্নাকৰ' গ্রন্থৰ প্রথম মাহাত্ম্য। এই পাঠত গুৰুৰ স্থান, গুৰু সেৱাৰ মাহাত্ম্য আৰু ভক্তিধর্মত গুৰুৰ অপৰিহার্য ভূমিকা সুন্দৰভাৱে বর্ণনা কৰা হৈছে। পাঠটোৰ আৰম্ভণিতে শ্রীকৃষ্ণৰ বন্দনা কৰা হৈছে। কৃষ্ণক জগতৰ মঙ্গলকাৰী, গোপীসকলৰ প্রিয় আৰু ভক্তৰ আশ্রয়দাতা হিচাপে স্মৰণ কৰি লেখকে মূল আলোচনাৰ সূচনা কৰিছে।

ইয়াৰ পিছত শ্রীমন্ত শংকৰদেৱৰ অৱদানৰ কথা উল্লেখ কৰা হৈছে। তেখেতে সমাজত ভক্তিধর্মৰ প্রচাৰ কৰি সাধাৰণ মানুহৰ মাজত ভগৱানৰ প্রতি ভক্তি আৰু শৰণাগতিৰ ভাৱ জাগ্রত কৰিছিল। 'ভক্তি-ৰত্নাকৰ' গ্রন্থৰ জৰিয়তে তেখেতে ভাগৱতৰ মূল তত্ত্ব সহজ ভাষাত জনসাধাৰণৰ আগত উপস্থাপন কৰিছে।

পাঠটোৰ কেন্দ্রীয় বিষয় হৈছে গুৰুৰ মাহাত্ম্য। ইয়াত গুৰুৰ তিনিটা ৰূপৰ কথা কোৱা হৈছে—জন্মদাতা পিতৃ, বিদ্যা-দাতা শিক্ষাগুৰু আৰু আধ্যাত্মিক জ্ঞান-দাতা গুৰু। এই তিনিজনৰ ভিতৰত জ্ঞান-দাতা গুৰুক সর্বোচ্চ স্থান দিয়া হৈছে, কাৰণ তেখেতেই মানুহক ভক্তি, জ্ঞান আৰু মুক্তিৰ পথ দেখুৱায়। পাঠ অনুসৰি, জ্ঞান-দাতা গুৰুৰ আশ্রয় লোৱাটো সংসাৰ-বন্ধনৰ পৰা মুক্তি লাভৰ মূল উপায়।

গুৰু সেৱাক সকলো ধর্মকর্মতকৈ শ্রেষ্ঠ বুলি ব্যাখ্যা কৰা হৈছে। মানুহে যিমানেই যজ্ঞ, যোগ বা আন ধর্মীয় আচাৰ পালন নকৰক কিয়, গুৰুৰ প্রতি আন্তৰিক শ্রদ্ধা আৰু সেৱা নাথাকিলে প্রকৃত আধ্যাত্মিক উন্নতি সম্ভৱ নহয়। ভগৱান নিজেও গুৰু সেৱাত আটাইতকৈ অধিক সন্তুষ্ট হয় বুলি পাঠটোত উল্লেখ আছে।

পাঠত এজন সৎ গুৰুৰ লক্ষণো বর্ণনা কৰা হৈছে। সত্য গুৰুজন শাস্ত্রজ্ঞ, ভগৱানৰ একান্ত ভক্ত আৰু ৰাগ, লোভ, মোহ আদি দোষৰ পৰা মুক্ত। এনে গুৰুহে শিষ্যক সঠিক পথ দেখুৱাব পাৰে আৰু আধ্যাত্মিক জ্ঞান প্রদান কৰিব পাৰে।

ইয়াৰ উপৰিও পাঠত মনক মানুহৰ এক শক্তিশালী শত্রু হিচাপে চিহ্নিত কৰা হৈছে। মনৰ আসক্তি আৰু অস্থিৰতাই মানুহক সংসাৰৰ মায়াত আবদ্ধ কৰি ৰাখে। গুৰুৰ চৰণত শৰণ লৈ আৰু গুৰু সেৱাৰ জৰিয়তে এই মনক নিয়ন্ত্রণ কৰিব পাৰি। এইদৰে গুৰু সেৱা কেৱল বাহ্যিক কর্ম নহয়, ই আত্মশুদ্ধি আৰু আধ্যাত্মিক উন্নতিৰ এক শক্তিশালী মাধ্যম।

সামগ্রিকভাৱে "গুৰু সেৱা মাহাত্ম্য" পাঠটোৱে গুৰুৰ প্রতি শ্রদ্ধা, ভক্তি আৰু সেৱাৰ গুৰুত্ব প্রতিপাদন কৰিছে। ইয়াৰ মূল শিক্ষা হৈছে যে গুৰুৰ আশ্রয় আৰু সেৱাৰ দ্বাৰাই মানুহে ভক্তি লাভ কৰে, মনৰ বিকাৰ দূৰ কৰে আৰু জীৱনৰ পৰম লক্ষ্য অর্থাৎ ঈশ্বৰপ্রাপ্তিৰ পথত আগবাঢ়ি যাব পাৰে। সেইবাবে এই পাঠটো কেৱল ধর্মীয় উপদেশ নহয়, ৰৱঞ্চ মানৱ জীৱনৰ নৈতিক আৰু আধ্যাত্মিক উন্নতিৰ এক মূল্যৱান দিশ-নির্দেশনা।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ : "গুৰু সেৱা মাহাত্ম্য" কোন গ্রন্থৰ অন্তর্গত পাঠ?

.....

প্রশ্ন নং ৬ : পাঠত গুৰুৰ কেইটা ৰূপৰ কথা উল্লেখ কৰা হৈছে?

.....

প্রশ্ন নং ৭ : জ্ঞান-দাতা গুৰুক সর্বোচ্চ স্থান দিয়া হয় কিয়?

.....

প্রশ্ন নং ৮ : সৎ গুৰুৰ দুটা প্রধান লক্ষণ লিখা।

.....

প্রশ্ন নং ৯ : "গুৰু সেৱা মাহাত্ম্য" পাঠটোৰ মূল শিক্ষা কি?

.....

৪.৪.৩ গদ্যশৈলী

"গুৰু সেৱা মাহাত্ম্য" গোপালচৰণ দ্বিজ ৰচিত *ভক্তি-ৰত্নাকৰ* গ্ৰন্থৰ প্ৰথম মাহাত্ম্য। এই পাঠৰ গদ্যশৈলীত মধ্যযুগীয় বৈষ্ণৱ সাহিত্যৰ বৈশিষ্ট্য সুস্পষ্টভাৱে পৰিলক্ষিত হয়। ভাষা, বাক্যগঠন, বৰ্ণনাভংগী, উদ্ধৃতি প্ৰয়োগ, সম্বোধনধৰ্মিতা আৰু ধৰ্মীয় ভাবগাম্ভীৰ্যৰ সমন্বয়ে এই গদ্যশৈলীক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে।

১. কথকতামূলক বা আখ্যানধৰ্মী গদ্যশৈলী

পাঠটো মূলতঃ কথকতামূলক ভংগীত ৰচিত। লেখকে যেন শ্ৰোতাসকলৰ আগত বহি কথোপকথনৰ ৰূপত বিষয়বস্তু ব্যাখ্যা কৰিছে। এই ভংগীৰ ফলত পাঠটো সহজবোধ্য আৰু শ্ৰুতিমধুৰ হৈ উঠিছে। উদাহৰণ—

"আবে সভাসদ লোক দেখ : ওহি কামৰূপে ইমত ভক্তি নাছিল।"

"আবে ৰত্নাকৰ গ্ৰন্থৰ কথা শুনা।"

ইয়াত "আবে", "দেখ", "শুনা" আদি শব্দৰ ব্যৱহাৰে কথক আৰু শ্ৰোতাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰিছে।

২. সম্বোধনধৰ্মী শৈলী

এই গদ্যৰ অন্যতম বৈশিষ্ট্য হৈছে সম্বোধনৰ ব্যাপক ব্যৱহাৰ। লেখকে বিভিন্ন ঠাইত "সভাসদ লোক", "ধীৰসৱ", "হে সখি", "হে মহাৰাজ", "হে বহুগুণ" আদি সম্বোধনেৰে পাঠকক উদ্দেশ্য কৰি বক্তব্য আগবঢ়াইছে। উদাহৰণ—

"হে সখি, এই সংসাৰত জাত হন্তে জন্ম লভে, তাঙ্ক পিতৃ বোলে।"

"হে মহাৰাজ নিৰ্মি, জাৰাসৰে উত্তম শ্ৰেয়স জানিবে চাৰে, তাৰাসৰে প্ৰথমে গুৰুত শৰণ লৈবেক।"

৩. শাস্ত্ৰসমৰ্থিত গদ্য

গদ্যশৈলীৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে শাস্ত্ৰ, ভাগৱত আৰু পু�ৰাণৰ উদ্ধৃতিৰ মাধ্যমেৰে মত প্ৰতিষ্ঠা কৰা। লেখকে নিজৰ বক্তব্যক অধিক বিশ্বাসযোগ্য কৰি তুলিবলৈ বিভিন্ন শাস্ত্ৰীয় উক্তিৰ আশ্ৰয় লৈছে। উদাহৰণ—

"দশম স্কন্ধত আশী অধ্যায়ত দৰিদ্ৰ দামোদৰক প্ৰতি ভগৱন্তে বোলন্ত : 'ভক্তি-জ্ঞান-দাতা গুৰুসে অত্যন্ত পূজা।'"

"একাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত প্ৰবুদ্ধ সিদ্ধে বোলন্ত : 'হে মহাৰাজ নিৰ্মি, জাৰাসৰে উত্তম শ্ৰেয়স জানিবে চাৰে, তাৰাসৰে প্ৰথমে গুৰুত শৰণ লৈবেক।'"

৪. ভক্তিৰসাত্মক শৈলী

সমগ্ৰ পাঠটো ভক্তিভাৱ আৰু শ্ৰদ্ধাভাৱত পৰিপূৰ্ণ। শ্ৰীকৃষ্ণ, বৈষ্ণৱ আৰু গুৰুৰ প্ৰতি গভীৰ ভক্তি প্ৰকাশ পোৱা যায়। এই ধৰণৰ স্তৱমূলক বাক্যই গদ্যত ভক্তিৰসৰ সৃষ্টি কৰিছে। উদাহৰণ—

"জয় জয় পৰম পুৰুষ, পুৰুষোত্তম, নন্দ-নন্দন, বৃন্দাবন-চন্দ্র... হেন বৃন্দাবন-বিনোদী জগন্মঙ্গল গোপৰূপী কৃষ্ণক কোটি বাৰ প্রণাম কৰো।"

৫. সংস্কৃতঘেঁষা শব্দভাণ্ডাৰৰ প্রয়োগ

গদ্যটোত তৎসম আৰু সংস্কৃতমূলীয় শব্দৰ যথেষ্ট ব্যৱহাৰ দেখা যায়। ইয়াৰ ফলত গদ্যত গাম্ভীর্য আৰু শাস্ত্রীয় মর্যাদা বৃদ্ধি পাইছে। উদাহৰণ— "পৰমাত্মাস্বৰূপ", "পৰম-মঙ্গল", "প্রতিপাদ্য", "সনাতন", "সদানন্দ", "নির্ম্মল বুদ্ধি", "ভক্তি-জ্ঞান-দাতা", "শ্রেয়স", "আশ্রমী" ইত্যাদি।

৬. উপদেশমূলক গদ্যশৈলী

পাঠটোত পাঠক বা শ্রোতাক নৈতিক আৰু আধ্যাত্মিক শিক্ষা দিয়াৰ উদ্দেশ্য স্পষ্ট। সেয়েহে গদ্যৰ বহু অংশ উপদেশধর্মী। এই ধৰণৰ বাক্যই পাঠটোক শিক্ষামূলক ৰূপ প্রদান কৰিছে। উদাহৰণ—

"এতেকে জ্ঞান-দাতা গুৰুক আশ্রয় কৰি জিসৱে সংসাৰ তৰে তাৰাসে বুদ্ধিমন্ত।"

"আক জানি সর্ব্বজনে জিমান পাৰা গুৰু সেৱা কৰা।"

৭. সহজ আৰু লোকভাষাধর্মী প্রকাশভংগী

যদিও গদ্যত সংস্কৃত শব্দৰ ব্যৱহাৰ আছে, তথাপি লেখকে সাধাৰণ মানুহে বুজিব পৰা কথ্যধর্মী ভাষাৰো প্রয়োগ কৰিছে। এই ধৰণৰ বাক্যত লোকভাষাৰ স্বাভাৱিকতা স্পষ্ট। উদাহৰণ—

"সাধুসৱৰ চৰণ শিৰোগত কৰি আক জানি সভাসদ লোক মোক নিনিন্দিবা।"

"ইসৱ কথা এহিমানে ৰহোক।"

সামগ্রিকভাৱে "গুৰু সেৱা মাহাত্ম্য" পাঠৰ গদ্যশৈলী কথকতামূলক, সম্বোধনধর্মী, শাস্ত্রসমর্থিত, ভক্তিৰসাত্মক আৰু উপদেশমূলক। সংস্কৃতঘেঁষা শব্দচয়ন, শাস্ত্রীয় উদ্ধৃতি, সহজ বর্ণনাভংগী আৰু প্রৱচনধর্মী উপস্থাপনে এই গদ্যক মধ্যযুগীয় বৈষ্ণৱ গদ্যসাহিত্যৰ এক উৎকৃষ্ট নিদর্শন হিচাপে প্রতিষ্ঠা কৰিছে। এই শৈলীৰ মূল উদ্দেশ্য হৈছে সাধাৰণ জনসাধাৰণৰ মাজত ভক্তি, গুৰু-শ্রদ্ধা আৰু আধ্যাত্মিক মূল্যবোধৰ প্রচাৰ কৰা।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ : "গুৰু সেৱা মাহাত্ম্য" পাঠৰ গদ্যশৈলীৰ অন্যতম মুখ্য বৈশিষ্ট্য কি?

.....

প্রশ্ন নং ১১: পাঠটোত সম্বোধনধর্মী শৈলীৰ ব্যৱহাৰ কেনেদৰে দেখা যায়?

.....

প্রশ্ন নং ১২: "গুৰু সেৱা মাহাত্ম্য" পাঠত শাস্ত্রীয় উদ্ধৃতিৰ ব্যৱহাৰ কিয় কৰা হৈছে?

.....

প্রশ্ন নং ১৩: পাঠটোৰ গদ্যশৈলীত ভক্তিৰস কেনেদৰে প্রকাশ পাইছে?

.....

2 ৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গোপালচৰণ দ্বিজ শংকৰদেৱ-উত্তৰ যুগৰ এজন বিশিষ্ট বৈষ্ণৱ কবি আৰু অনুবাদক আছিল। তেওঁ ভাগৱত, হৰিবংশ আৰু ভক্তি-ৰত্নাকৰৰ অনুবাদৰ জৰিয়তে অসমীয়া বৈষ্ণৱ সাহিত্যক সমৃদ্ধ কৰিছিল আৰু জটিল ধৰ্মীয়-দার্শনিক বিষয় সহজ ভাষাত উপস্থাপন কৰিছিল।
- 'গুৰু সেৱা মাহাত্ম্য' পাঠত গুৰুৰ মাহাত্ম্য আৰু গুৰু সেৱাৰ গুৰুত্ব বর্ণনা কৰা হৈছে। পিতৃ, বিদ্যা-দাতা গুৰু আৰু জ্ঞান-দাতা গুৰু— এই তিনিজন গুৰুৰ ভিতৰত জ্ঞান-দাতা গুৰুক সর্বোচ্চ স্থান দিয়া হৈছে, কিয়নো তেখেতেই মানুহক ভক্তি, জ্ঞান আৰু মুক্তিৰ পথ দেখুৱায়।
- পাঠটোৱে শিক্ষা দিয়ে যে গুৰু সেৱাই মানুহক সংসাৰ-বন্ধনৰ পৰা মুক্তি দিয়ে। যাগ-যজ্ঞ, যোগ বা আন ধৰ্মীয় আচাৰতকৈ গুৰুৰ আশ্রয়, শৰণাগতি আৰু সেৱাক অধিক গুৰুত্ব দিয়া হৈছে আৰু ভগৱানেও গুৰু সেৱাত অধিক সন্তুষ্ট হয় বুলি কোৱা হৈছে।
- সৎ গুৰুজন শাস্ত্রজ্ঞ, ভগৱানৰ একান্ত ভক্ত আৰু ৰাগ-লোভ-মোহ আদি দোষৰ পৰা মুক্ত হয়। এনে গুৰুৰ শৰণ লৈ শ্রৱণ, কীর্ত্তন আৰু ভক্তিৰ মাধ্যমেৰে মানুহে মনৰ বিকাৰ দূৰ কৰি আধ্যাত্মিক উন্নতি লাভ কৰি ঈশ্বৰপ্রাপ্তিৰ পথত আগবাঢ়িব পাৰে।

O ৪.৬ অধিক জানিবলৈ

নেওগ, মহেশ্বৰ (১৯৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; ডিব্রুগড়ঃ বাণী মন্দিৰ।

শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্রকাশ।

শর্মাদলৈ, হৰিনাথ (২০০০); *অসমীয়া-সাহিত্যৰ পূর্ণ ইতিহাস*; গুৱাহাটীঃ ব্রহ্মপুত্র অফচেট।

শর্মা, হেমন্তকুমাৰ (১৯৬৪); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটীঃ নিউ বুক ষ্টল।

হাজৰিকা, বিশ্বেশ্বৰ (সম্পা.) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* আনন্দাৰম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

K ৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : গোপালচৰণ দ্বিজে ভাগৱতৰ তৃতীয়, সপ্তম আৰু অষ্টম স্কন্ধ অসমীয়ালৈ অনুবাদ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ : গোপালচৰণ দ্বিজে বলদেৱৰ নির্দেশ অনুসৰি বৈকুণ্ঠপুৰ সত্রত থাকি ভাগৱতৰ তৃতীয় স্কন্ধ অনুবাদ কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ : জটিল দার্শনিক আৰু তত্ত্বমূলক বিষয়সমূহ সহজ, সৰল আৰু বোধগম্য ভাষাত প্রকাশ কৰাৰ দক্ষতাই তেওঁৰ সাহিত্যিক কৃতিত্বক বিশেষ মর্যাদা প্রদান কৰিছে।

৪ নং প্রশ্নৰ উত্তৰ : অষ্টম স্কন্ধত গ্রাহ-গজেন্দ্র উপাখ্যান বিশেষভাৱে সজীৱ আৰু চিত্রধর্মী ৰূপত বর্ণিত হৈছে।

৫ নং প্ৰশ্নৰ উত্তৰ : "গুৰু সেৱা মাহাত্ম্য" 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থৰ প্ৰথম মাহাত্ম্য।

৬ নং প্ৰশ্নৰ উত্তৰ : পাঠত গুৰুৰ তিনিটা ৰূপৰ কথা উল্লেখ কৰা হৈছে— জন্মদাতা পিতৃ, বিদ্যা-দাতা শিক্ষাগুৰু আৰু আধ্যাত্মিক জ্ঞান-দাতা গুৰু।

৭ নং প্ৰশ্নৰ উত্তৰ : জ্ঞান-দাতা গুৰুক সৰ্বোচ্চ স্থান দিয়া হয়, কাৰণ তেখেতেই মানুহক ভক্তি, জ্ঞান আৰু মুক্তিৰ পথ দেখুৱায়। তেখেতৰ আশ্ৰয়তেই আধ্যাত্মিক উন্নতি সম্ভৱ হয়।

৮ নং প্ৰশ্নৰ উত্তৰ : সৎ গুৰুজন শাস্ত্ৰজ্ঞ আৰু ভগৱানৰ একান্ত ভক্ত। লগতে তেখেত ৰাগ, লোভ, মোহ আদি দোষৰ পৰা মুক্ত হয়।

৯ নং প্ৰশ্নৰ উত্তৰ : এই পাঠটোৰ মূল শিক্ষা হৈছে যে গুৰুৰ আশ্ৰয় আৰু সেৱাৰ দ্বাৰাই মানুহে ভক্তি লাভ কৰে, মনৰ বিকাৰ দূৰ কৰে আৰু ঈশ্বৰপ্ৰাপ্তিৰ পথত আগবাঢ়ি যাব পাৰে।

১০ নং প্ৰশ্নৰ উত্তৰ : "গুৰু সেৱা মাহাত্ম্য" পাঠৰ গদ্যশৈলীৰ অন্যতম মুখ্য বৈশিষ্ট্য হৈছে কথকতামূলক বা আখ্যানধৰ্মী ভংগী। লেখকে শ্ৰোতাসকলক উদ্দেশ্য কৰি কথোপকথনৰ দৰে বিষয়বস্তু উপস্থাপন কৰিছে।

১১ নং প্ৰশ্নৰ উত্তৰ : পাঠটোত "সভাসদ লোক", "হে সখি", "হে মহাৰাজ" আদি সম্বোধনৰ ব্যৱহাৰ দেখা যায়। এই সম্বোধনধৰ্মী ভংগীয়ে পাঠটোক অধিক জীৱন্ত আৰু প্ৰৱচনধৰ্মী কৰি তুলিছে।

১২ নং প্ৰশ্নৰ উত্তৰ : লেখকে নিজৰ বক্তব্য অধিক বিশ্বাসযোগ্য আৰু প্ৰামাণিক কৰিবলৈ ভাগৱত, পু�ৰাণ আদি শাস্ত্ৰৰ উদ্ধৃতি ব্যৱহাৰ কৰিছে। ইয়াৰ ফলত গদ্যত যুক্তি আৰু গাম্ভীৰ্য বৃদ্ধি পাইছে।

১৩ নং প্ৰশ্নৰ উত্তৰ : শ্ৰীকৃষ্ণ, বৈষ্ণৱ আৰু গুৰুৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ভক্তিভাৱ প্ৰকাশৰ জৰিয়তে পাঠটোত ভক্তিৰসৰ সৃষ্টি হৈছে। বিশেষকৈ স্তৱমূলক বাক্যসমূহে এই ভক্তিভাৱ অধিক উজ্জ্বল কৰি তুলিছে।

M ৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰসমূহৰ উত্তৰ লিখক

ক) গোপালচৰণ দ্বিজে ক'ত থাকি ভাগৱতৰ তৃতীয় স্কন্ধ অনুবাদ কৰিছিল ?

খ) বৈকুণ্ঠপুৰ সত্ৰৰ অধিকাৰী কোন আছিল ?

গ) তৃতীয় স্কন্ধত কোন দুজনৰ সংলাপ বৰ্ণিত হৈছে ?

ঘ) 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থখন মূলতঃ কোনে ৰচনা কৰিছিল ?

ঙ) 'গুৰু সেৱাৰ উত্তম সেৱা' বুলি পাঠত কাক কোৱা হৈছে ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : গোপালচৰণ দ্বিজৰ সৈতে দামোদৰীয়া বৈষ্ণৱ পৰম্পৰাৰ সম্পৰ্ক কেনেধৰণৰ আছিল ?

প্ৰশ্ন ২ : গোপালচৰণ দ্বিজৰ হৰিবংশ অনুবাদত শংকৰদেৱৰ কোন নাটৰ প্ৰভাৱ দেখা যায়?

প্ৰশ্ন ৩ : 'ভাগৱত শাস্ত্ৰ ভৈল দুগ্ধ-সাগৰ'—এই উপমাটোৰ তাৎপৰ্য কি?

প্ৰশ্ন ৪ : গুৰু সেৱাতকৈ শ্ৰেষ্ঠ ধৰ্ম নাই বুলি পাঠত কেনেকৈ প্ৰতিপন্ন কৰা হৈছে?

প্ৰশ্ন ৫ : মনক 'পৰম শত্ৰু' বুলি কোৱাৰ কাৰণ কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : গোপালচৰণ দ্বিজৰ সাহিত্যিক অৱদান আৰু বৈষ্ণৱ সাহিত্যত তেওঁৰ স্থান আলোচনা কৰা।

প্ৰশ্ন ২ : গোপালচৰণ দ্বিজে জটিল দাৰ্শনিক বিষয়বস্তু সাধাৰণ পাঠকৰ বাবে কেনেদৰে সহজ কৰি তুলিছিল, আলোচনা কৰা।

প্ৰশ্ন ৩ : 'গুৰু সেৱা মাহাত্ম্য' পাঠত গুৰুৰ তিনিটা ৰূপৰ ধাৰণা ব্যাখ্যা কৰা।

প্ৰশ্ন ৪ : 'গুৰু সেৱা মাহাত্ম্য' পাঠত মন, ভক্তি আৰু মুক্তিৰ সম্পৰ্ক কেনেদৰে ব্যাখ্যা কৰা হৈছে, আলোচনা কৰা।

প্ৰশ্ন ৫ : 'গুৰু সেৱা মাহাত্ম্য' পাঠৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা।
